# Half Yearly Evaluation, 2022
## Sub: Social Science
## Class : VIII (Eight)

Time : 3 hours | Full Marks : 90

1. শুদ্ধ উত্তৰটো বাছি লিখা ঃ 1x20=20

a) পৃথিৱীৰ উপৰিভাগৰ ভূমিৰ পৰিমাণ হৈছে --

ক) 71% খ) 78% গ) 29% ঘ) 30%

b) তলৰ কোনখন মহাদেশত মানুহৰ স্থায়ী বসতি নাই --

ক) এছিয়া খ) দক্ষিণ আমেৰিকা গ) এন্টাৰ্কটিকা ঘ) ইউৰোপ

c) তলৰ কোনবিধ সম্পদক শ্ৰেষ্ঠ সম্পদ বুলি কোৱা হয় --

ক) মানৱ সম্পদ খ) জল সম্পদ গ) খনিজ সম্পদ

ঘ) বনজ সম্পদ

d) গ্ৰাম্য বসতিৰ মূল বৃত্তি হ'ল --

ক) বেপাৰ বাণিজ্য খ) উদ্যোগ গ) চাকৰি ঘ) কৃষি

e) 'ছুনামী' শব্দৰ অৰ্থ হ'ল --

ক) ভূমিকম্প খ) সাগৰৰ ঢৌ গ) পোতাশ্ৰয়ৰ ঢৌ

ঘ) জোৱাৰ ভাটা

f) সূৰ্য চন্দ্ৰতকৈ কিমান গুণ ডাঙৰ --

ক) 27 মিলিয়ন গুণ খ) 28 মিলিয়ন গুণ গ) 29 মিলিয়ন গুণ

ঘ) 30 মিলিয়ন গুণ

g) শ্ৰীমন্ত শংকৰদেৱে গীত-মাত ৰচনা কৰা ভাষাটো --

ক) সংস্কৃত ভাষা খ) অসমীয়া ভাষা গ) ব্ৰজাবলী ভাষা

ঘ) হিন্দী ভাষা

h) গাঁও অঞ্চলৰ কিমান সংখ্যক মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল -

ক) 50% খ) 60% গ) 70% ঘ) 80%

i) 'ৰামচৰিত মানস' ৰচনা কৰিছিল --

ক) তুলসীদাসে খ) ৰামদাসে গ) সুৰদাসে ঘ) কবীৰে

j) আহোমসকল অসমলৈ আহিছিল --

ক) 1449 খ্ৰীষ্টাব্দত খ) 1228 খ্ৰীষ্টাব্দত গ) 1661 খ্ৰীষ্টাব্দত

ঘ) 1603 খ্ৰীষ্টাব্দত

k) পাইক প্ৰথাৰ প্ৰচলন কৰিছিল --

ক) আহোমসকলে খ) কোঁচসকলে গ) চুতীয়াসকলে

ঘ) বাৰভূঞাসকলে





l) পৰ্তুগীজ নাবিক 'ভাস্কো-ডা-গামাই' কালিকট বন্দৰত উপস্থিত হৈছিল --

ক) 1492 খ্ৰীষ্টাব্দত খ) 1498 খ্ৰীষ্টাব্দত গ) 1453 খ্ৰীষ্টাব্দত

ঘ) 1505 খ্ৰীষ্টাব্দত

m) পলাশী যুদ্ধৰ সময়ত বংগৰ নবাব আছিল --

ক) নবাব ছিৰাজদ্দৌলা খ) মিৰজাফৰ গ) মীৰমদন

ঘ) ওপৰৰ এজনো নহয়

n) তলৰ কোনটো উৎপাদনৰ মূল উৎপাদন নহয় --

ক) ভূমি খ) শ্ৰম গ) মূলধন ঘ) শিক্ষা

o) মানৱ সম্পদ উন্নয়নৰ প্ৰধান অন্তৰায় হৈছে --

ক) অন্ধবিশ্বাস খ) স্বাস্থ্য গ) জীৱিকা ঘ) ওপৰৰ এটাও নহয়

p) ভাৰতবৰ্ষৰ সংবিধানখন কাৰ্যকৰী কৰা হয় --

ক) 1747 চনত খ) 1948 চনত গ) 1949 চনত

ঘ) 1950 চনত

q) সংবিধান সভাৰ সভাপতি আছিল --

ক) ড° ৰাজেন্দ্ৰ প্ৰসাদ খ) ড° বি. আৰ. আম্বেদকাৰ

গ) গোপীনাথ বৰদলৈ ঘ) জৱাহৰলাল নেহৰু

r) শিশু শ্ৰমিক আইন নিষিদ্ধ কৰা হৈছিল --

ক) 2005 চনত খ) 2006 চনত গ) 2007 চনত

ঘ) 2008 চনত

s) 1978 চনৰ সংবিধানৰ সংশোধনী মতে তলৰ কোনটো মৌলিক অধিকাৰ বিলোপ ঘটোৱা হৈছিল --

ক) সমতাৰ অধিকাৰ খ) শিক্ষা আৰু সংস্কৃতিৰ অধিকাৰ

গ) স্বাধীনতাৰ অধিকাৰ ঘ) সম্পত্তিৰ অধিকাৰ

t) জনসংখ্যাৰ ফালৰ পৰা আমাৰ দেশ ভাৰতবৰ্ষৰ স্থান হ'ল --

ক) প্ৰথম খ) দ্বিতীয় গ) তৃতীয় ঘ) চতুৰ্থ

2. খালীঠাই পূৰ কৰা -- 1x5=5

a) পৃথিৱীৰ বেছিভাগ মানুহে ----- গোলাৰ্ধত বাস কৰে।

b) আহোমসকলে ----- নামৰ দেৱতাক পূজা-সেৱা কৰিছিল।

c) অনন্ত কন্দলীয়ে ---- অসমীয়ালৈ অনুবাদ কৰে।

d) ----- ফৰাচীসকলৰ মুখ্য কাৰ্যালয় আছিল।

e) শিক্ষাৰ অধিকাৰ আমাৰ অন্যতম ----- অধিকাৰ।

3. মৰুকৰণ বুলিলে কি বুজা? 2
4. জনপ্ৰৱজন কাক বোলে? 2
5. 'মেগাল'পলিছ' কাক বোলা হয়? 2
6. 'দিব্য প্ৰৱন্ধম' বুলিলে কি বুজা? 2
7. কোনছোৱা সময়ক অসম বুৰঞ্জীৰ 'মধ্যযুগ' বুলি কোৱা হয়? 2
8. বাণিজ্যবাদ বুলিলে কি বুজা? 2
9. দ্বিতীয় চাৰ্লছে বোম্বাই (মুম্বাই) কাক লিজত দিছিল? 1+1=2
10. বৃটিছ আৰু ফৰাছীসকলৰ মাজত কিহৰ বাবে প্ৰতিদন্দ্বিতা হৈছিল? 2
11. জনমূৰি আয় বুলিলে কি বুজা? 2
12. মানৱ সম্পদ উন্নয়নৰ প্ৰতিবন্ধক হিচাপে দুবিধ বিষমতা উল্লেখ কৰা। 2
13. লিখিত সংবিধানে আৰু অলিখিত সংবিধানৰ দুটা পাৰ্থক্য লিখা। 2
14. চমুকৈ উত্তৰ লিখা — 1x5=5

i) পৃথিৱীখনক নীলা গ্ৰহ বুলি কোৱা হয়?

ii) এখন লিখিত সংবধিানৰ প্ৰচলন থকা দেশৰ নাম লিখা।

iii) ভাৰতৰ সংবিধানখন ৰচনা কৰি সম্পূৰ্ণ কৰিবলৈ কিমান দিনৰ প্ৰয়োজন হৈছিল? https://www.assamboard.com

iv) অসমৰ একমাত্ৰ পৌৰ নিগম পৰিচালিত মহানগৰখনৰ নাম কি?

v) ৰামানন্দৰ প্ৰিয় শিষ্য কোন আছিল?

15. সাগৰীয় উদ্ভিদ আৰু প্ৰাণীবোৰক কি কি ভাগত ভগাব পাৰি? 3
16. কেতিয়া, কোনে আৰু কেনেকৈ অসমত আহোম ৰাজ্য স্থাপন কৰিছিল? 3
17. চৰকাৰৰ তিনিটা অংগৰ কাৰ্যসমূহ উল্লেখ কৰা। 3
18. আমাৰ মৌলিক অধিকাৰ কেই প্ৰকাৰ? মৌলিক অধিকাৰৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা। 1+2=3
19. জনসংখ্যাৰ বিস্ফোৰণ মানে কি? জনসংখ্যাৰ বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা সমস্যাবোৰ কি কি? 1+2=3
20. পানী সংৰক্ষণৰ তিনিটা ব্যৱস্থা উল্লেখ কৰা। 3
21. গ্ৰাম্য বসতি আৰু নগৰীয়া বসতিৰ মাজত পাৰ্থক্য লিখা। 4





22. গ্ৰামাঞ্চলৰ মানুহে কি কি কাৰ্যৰ দ্বাৰা জীৱন নিৰ্বাহ কৰে লিখা। 4
23. মানৱ সম্পদ উন্নয়নত বৃত্তিমূলক শিক্ষাৰ ভূমিকা আলোচনা কৰা। 4

নাইবা

মানৱ সম্পদ উন্নয়নত চৰকাৰৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

24. ভাৰতীয় সংবিধানৰ যিকোনো চাৰিটা বৈশিষ্ট্যৰ বিষয়ে চমুকৈ আলোচনা কৰা। 4

নাইবা

ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত থকা মূল আদৰ্শ সমূহ বৰ্ণনা কৰা।

25. মধ্যযুগৰ অসমৰ অৰ্থনৈতিক কাম-কাজৰ ওপৰত এটি টোকা লিখা। 4

নাইবা

মধ্যযুগৰ অসমীয়া সমাজ ব্যৱস্থা কেনেধৰণৰ আছিল? এই সময়ছোৱাত অসমৰ মহিলাক কেনে চকুৰে চোৱা হৈছিল? 2+2=4

:::::::

https://www.assamboard.com
Whatsapp @ 9300930012
Send your old paper & get 10/-
अपने पुराने पेपर्स भेजे और 10 रुपये पायें,
Paytm or Google Pay से